# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 25-NOV-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত আজি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু আৰু ইয়াৰ তদন্ত প্ৰক্ৰিয়াক লৈ বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱ শাসক পক্ষই সমৰ্থন জনায়। এই বিষয়টো লৈ আজি সদনত দীঘলীয়া সময়জুৰি আলোচনা চলে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যু পৰিকল্পিত হত্যাকাণ্ড আছিল বুলি সদনৰ মজিয়াত প্ৰকাশ কৰে। সদনৰ দিনটোৰ কাম-কাজৰ আৰম্ভণিতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিগত সময়ছোৱাত ৰাজ্যখনত মৃত্যু হোৱা কেইবাগৰাকী ব্যক্তিৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ শোকপ্ৰস্তাৱ পাঠ কৰাৰ লগতে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, এ আই ডি ইউ এফ, ৰাইজৰ দল আৰু চি পি এমে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আলোচনা কৰিবলৈ সভা স্থগিত প্ৰস্তাৱ আনে। অসম বিধানসভাৰ ইতিহাসক প্ৰথমবাৰৰ বাবে শাসকীয় পক্ষই বিধানসভাত বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সঠিক দিশে আগবঢ়া নাই বুলি অভিযোগ তুলি বিৰোধী ৰাজনৈতিক দলসমূহে জুবিন গাৰ্গৰ ন্যায়ৰ দাবী উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই লগতে জুবিনৰ গাৰ্গৰ মৃত্যু সন্দৰ্ভত চি বি আইৰ দ্বাৰা তদন্তৰ দাবী কৰে। ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়েও অনুৰূপ দাবী উত্থাপন কৰাৰ লগতে জুবিন গাৰ্গক ভাৰতৰত্ন বঁটা প্ৰদান কৰিবলৈ বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। বিৰোধী দলসমূহৰ বক্তব্যৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদনত ঘোষণা কৰে যে জুবিন গাৰ্গক পৰিকল্পিতভাৱে হত্যা কৰা হৈছিল আৰু এই হত্যাকাণ্ডত এজন বিশেষ ব্যক্তি জড়িত হৈ আছিল। সেই ব্যক্তিজনক আন কেইজনমান ব্যক্তিয়ে সহযোগ কৰিছিল।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে লগতে সদনক জনাই যে, অহা ৮ ডিচেম্বৰত জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব আৰু চৰকাৰে আদালতত এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া FAST TRACK COURT দ্বাৰা কৰিবলৈ আদালতত অনুৰোধ জনাব। এছ আই টিয়ে বৰ্তমানলৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত ২৫২ জনৰ সাক্ষ্য গ্ৰহণ কৰাৰ লগতে ৭ জন লোকক আটক কৰিছে। মুখ্যমন্ত্ৰীয়ে সদনক জনাই যে অসম আৰক্ষীৰ হাতত জুবিন গাৰ্গক যে পৰিকল্পিকভাৱে হত্যা কৰা হৈছিল ইয়াৰ যথেষ্ট প্ৰমাণ আছে আৰু এই প্ৰমাণৰ ভিত্তিতেই আৰক্ষীয়ে আদালতত অভিযুক্ত কেইজনৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ নম্বৰ ধাৰা সন্নিবিষ্ট কৰিবলৈ অনুৰোধ জনাইছিল আৰু আদালতে এই অনুৰোধ গ্ৰহণ কৰে। একেটা প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত প্ৰায় ৮ বছৰ পুৰণি তথ্যও সন্নিবিষ্ট হৈছে। সেই অনুসৰি হত্যাৰ পৰিকল্পনা বহু আগতেই আৰম্ভ হৈছিল। প্ৰথমে জুবিন গাৰ্গৰ হত্যাৰ অভিযোগনামা দাখিল কৰা হ'ব। একে সময়তে তদন্তকাৰী দলে গাফিলতি আৰু বিশ্বাস ভংগৰ সম্পৰ্কীয় তদন্ত অব্যাহত ৰাখিব। মুখ্যমন্ত্ৰীৰ বক্তব্যত অসন্তুষ্ট হৈ কংগ্ৰেছ দলৰ বিধায়কসকলে সদন ত্যাগ কৰে।

সদনত বিৰোধী শূন্যভাৱে শাসক পক্ষই ৫ খন নতুন আৰু ১১ খন সংশোধনী বিধেয়ক উত্থাপন কৰে। নতুন বিধেয়কসমূহৰ ভিতৰত ২০২৫ৰ বহু বিবাহ প্ৰতিৰোধ বিধেয়ক, অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক,

চ্যুকাফা বিশ্ববিদ্যালয়ক বিধেয়ক, অগ্নি আৰু আপাতকালীন সেৱা বিধেয়ক আৰু অসম জিলা ভূমি ন্যায়াধীকৰণ বিধেয়ক আছে। ইয়াৰ উপৰি বিভিন্ন বিভাগৰ বাৰ্ষিক প্ৰতিবেদন আৰু অধ্যাদেশসমূহ দাখিল কৰা হয়।

আনহাতে, অসম চৰকাৰে ১৯৮৩ চনৰ নিৰ্বাচনী হিংসাৰ তদন্তৰ বাবে গঠন কৰা তিৱাৰী আয়োগ আৰু বেচৰকাৰীভাবে গঠন হোৱা মেহতা আয়োগৰ প্ৰতিবেদন দুখন বিধানসভাত আজি মুখ্যমন্ত্ৰীয়ে দাখিল কৰে।

বিধানসভাৰ বিশেষাধিকাৰ সমিতিয়ে কংগ্ৰেছৰ বিধায়ক নুৰুল হুদা আৰু শ্বেৰমান আলী আহমেদে বিধানসভাৰ উপাধ্যক্ষক বেয়া ব্যৱহাৰ তথা বক্তব্য ৰখাৰ বাবে দোষী সাব্যস্ত কৰি এই শীতকালীন অধিবেশনৰ বাকী দিন কেইটাৰ কাৰণে বৰ্খাস্ত কৰে। এই সন্দৰ্ভত কংগ্ৰেছে প্ৰতিবাদ কৰি কয়, যে বিশেষাধিকাৰ সমিতিয়ে কোনো তথ্য প্ৰমাণ নোহোৱাকৈয়ে বিধায়ক নুৰুল হুদাক দোষী সাব্যস্ত কৰাটো দলে মানি নলয় আৰু অধ্যক্ষক এই বিষয়ত হস্তক্ষেপ কৰিবলৈ অনুৰোধ জনায়।

ooooo

সমাপ্ত